# কাজিৰঙা নহয় অভয়াৰণ্য

## অসমীয়া

### TEXTUAL QUESTIONS AND ANSWERS

---

**প্ৰশ্ন ১। কবিতাটিৰ মূল ভাব লিখা ।**

**উত্তৰঃ** ' কাজিৰঙা নহয় অভয়াৰণ্য ' কবিতাটিত কবিৰ প্ৰকৃতি প্ৰীতি প্ৰকাশ পাইছে । কাজিৰঙা অকল এখন অভয়াৰণ্য নহয় । তাত হিংস্ৰ জন্তু থাকিলেও ভয়াৱহতা নাই । মানুহৰ পৰাহে যেন বেছি ভয়াবহতা নামি আহে । এসময়ত বনাঞ্চল বা পৰ্বত – পাহাৰতে ঋষি – মুনিসকলে তপস্যা কৰিছিল । লুইতৰ পাৰত কাজিৰঙাও তেনে এক পৱিত্ৰ সেউজ ভূখণ্ডহে । ই অনন্য । জীৱশ্ৰেষ্ঠ বুলি কোৱা মানুহেহে হিংস্ৰ হৈ উঠিছে । গড় , হাতী , বাঘ আদি জন্তুবাোৰ জধে – মধে হত্যা কৰিছে । কাজিৰঙাত গঁড় হৰিণাৰ জাকে মিলি জুলি খেলে। সভ্য বুলি ভবা আমি মানুহবাোৰে কাজিৰঙাৰ পৰা এইবাোৰৰ কথা শিকিব লাগে ।

**প্ৰশ্ন ২। কাজিৰঙা ক'ত অৱস্থিত ?**

**উত্তৰঃ** কাজিৰঙা গাোলাঘাট , কাৰ্বি আংলং আৰু নগাওঁ জিলা সংলগ্ন কৰি , ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰত অৱস্থিত ।

**প্ৰশ্ন৩। কাজিৰঙা কিয় অভয়াৰণ্য নহয় বুলি কৈছে ?**

**উত্তৰঃ** এসময়ত অৰণ্যৰ বুকুত ঋষি – মুনিসকলে তপস্যা কৰি জ্ঞান লাভ কৰিছিল । তপস্যালব্ধ সেই জ্ঞান তেওঁলাোকে মানুহক বিলাইছিল । এনেকৈয়ে জন্ম হৈছিল বহুতাো জ্ঞানী – গুণী মনীষীৰ। কাজিৰঙাও তেনে এক পৱিত্ৰ সেউজ ভূখণ্ডহে । সেয়ে কবিয়ে কাজিৰঙাক সাধাৰণ মানুহে ভবাৰ দৰে হিংস্ৰ জীৱ – জন্তুৰে ভৰা এখন অৰণ্য নহয় বুলি কৈছে।

**প্ৰশ্ন ৪। ' জন অৰণ্য ' মানে কি ?**

**উত্তৰঃ** জন জনবসতিপূৰ্ণ ।

**প্ৰশ্ন ৫। অৰণ্যই যুগে যুগে কি জন্ম দিছে ?**

**উত্তৰঃ** সাধনা ব্ৰতী ঋষি , মুনি আৰু মনীষীৰ জন্ম দিছে ।

**প্ৰশ্ন ৬। কবিৰ আপােন বস্তুবােৰ কি কি ?**

**উত্তৰঃ** কবিৰ আপােন বস্তুবােৰ হৈছে কাজিৰঙাত অৱস্থিত কঁহৰা নামৰ ঠাইখন , বাগৰী , কাজিৰঙাৰ ওচৰেৰে বৈ যােৱা বৰলুইতখন , ডিফলু নদীখন আৰু মৰম লগা কুঠৰী অৰ্থাৎ সৰু সৰু ঘৰবােৰ ।

**প্ৰশ্ন ৭। কবিতাটিত কি কি জন্তুৰ কথা উল্লেখ কৰিছে ?**

**উত্তৰঃ** কবিতাটিত উল্লেখ থকা জন্তুবােৰ হৈছে — হাতী , বাঘ এক খৰ্গৰ গড় আৰু হৰিণা ।

**প্ৰশ্ন ৮। কবিতাটিৰ মাজেৰে কবিৰ প্ৰকৃতিপ্ৰীতি কিদৰে প্ৰকাশ পাইছে চমুকৈ লিখা ।**

**উত্তৰঃ** কবিতাটিত কবিৰ প্ৰকৃতিপ্ৰীতি সুন্দৰভাবে প্ৰকাশ পাইছে । প্ৰকৃতিৰ দান কাজিৰঙাক কবিয়ে ইমান ভাল পায় যে ইয়াক তেওঁ তেওঁৰ সেউজ সপােন বুলি কৈছে । ইয়াৰ ওচৰেৰে বৈ যােৱা বৰলুইতখন আৰু ডিফলু নৈ খনে তেওঁৰ বৰ আপােন আপােন লাগে । কাজিৰঙাৰ বুকুত বাস কৰা হাতী , এশিঙীয়া গঁড় , হৰিণাকে সকলাে জীৱ – জন্তুকে তেওঁ ভাল পায় । পখীৰ সুৱদী মাত শুনিলে কবিৰ মন পুলকিত হৈ উঠে।

**প্ৰশ্ন ৯। কাজিৰঙাৰ দৰে পৃথিৱীয়ে কিয় চায় বুলি কৈছে ?**

**উত্তৰঃ** কাজিৰঙাত থকা এক খৰ্গৰ গঁড়ৰ বাবে চায় ।

**প্ৰশ্ন ১০। কাজিৰঙাৰ দৰে অসমত থকা দুখন অভয়াৰণ্যৰ নাম লিখা ।**

**উত্তৰঃ** মানস আৰু পবিতৰা ।

**প্ৰশ্ন ১১। প্ৰসংগ সংগতি দৰ্শাই ব্যাখ্যা কৰা—**

( ক ) “ জনৰ অৰণ্যত হিংস্ৰজনে

কাহানি শিকিবনাে তাক

সভ্য মানুহ হেনো মান । ”

**উত্তৰঃ** কবিতাফাঁকি সুধাকণ্ঠ ড০ ভূপেন হাজৰিকাদেৱে ৰচনা কৰা আৰু আমাৰ পাঠ্যপুথিত অন্তৰ্ভুক্ত ' কাজিৰঙা নহয় অভয়াৰণ্য ' নামৰ গীতি কবিতাটিৰ পৰা উদ্‌ধৃত কৰা হৈছে ।

অৰণ্যৰ জীৱ – জন্তুৰ পৰাও যে মানুহৰ শিকিব লগীয়া আছে , কবিয়ে কবিতাফাঁকিৰ জৰিয়তে তাকে কৈছে ।

মানুহে অৰণ্য ভয়াবহ বুলি ভাবিলেও ই কিন্তু ভয়াবহ নহয় । বৰং জন অৰণ্যহে ভয়াবহ আৰু হিংস্ৰ । অৰণ্যৰ বুকুত তপস্যা কৰি এদিন ঋষি মুনি সকলে সিদ্ধি লাভ কৰিছিল । জীৱ – জন্তুবােৰে অৰণ্যত মিলাপ্ৰীতিৰেই থাকে । মানুহৰ মাজত দেখা পােৱা অসূয়া – অপ্ৰীতি , বিদ্বেষ ভাৱ প্ৰাণীবােৰৰ মাজত নাই । কাজিৰঙাত গঁড় আৰু হৰিণাৰ জাক মিলি জুলি থাকে । নিজকে সভ্য বুলি ভবা , মান্য বুলি কব খােজা মানুহে এইবােৰৰ পৰা শিক্ষা ল'ব লাগে ।

**প্ৰশ্ন ১২। চমুটোকা লিখা –**

**( ক ) ড০ ভূপেন হাজৰিকা ।**

**উত্তৰঃ** ড০ ভূপেন হাজৰিকাৰ জন্ম হৈছিল ১৯২৬ চনৰ ৮ ছেপ্তেম্বৰত শদিয়াত । বহুমুখী প্ৰতিভাৰ অধিকাৰী হাজৰিকাদেৱে অসমবাসীক অমূল্য অৱদান দি থৈ গৈছে । গায়ক , গীতিকাৰ , কবি , সুৰকাৰ , গদ্য লেখক , আলােচনী – সম্পাদক , কৃতবিদ্য শিক্ষাবিদ , চলচিত্ৰৰ – প্ৰযােজক – পৰিচালক – সংগীত পৰিচালক , অভিনেতা আদি বিভিন্ন ৰূপত তেওঁ নিজৰ পৰিচয় দি গৈছে । অসমীয়া গীতি – সাহিত্যলৈ আগবঢ়োৱা অনবদ্য অৱদানৰ সুবাদতে ড০ হাজৰিকাই ১৯৯৩ চনত অসম সাহিত্য সভাৰ সভাপতিৰ পদ অলংকৃত কৰে । সেই একে বছৰতে তেওঁ ' দাদা চাহেব ফাল্কে' বঁটাও লাভ কৰে ।

গীতৰ মাজেৰেই লাখ লাখ মানুহৰ হৃদয় জয় কৰা , দেশ দেশান্তৰত কণ্ঠ – অমৃত বিলাই ফুৰা ড০ হাজৰিকাই কৃষ্টিৰ পথাৰে পথাৰে , ' দিহিঙে – দীপাঙে ' ঘূৰি , বহাগ মাথাে এটি ঋতু নহয়' আদি সুমধুৰ গান পুথি ৰচনা কৰিছিল আৰু গাইছিল । আমাৰ প্ৰতিনিধি ' , ' প্ৰতিধ্বনি ' নামৰ আলােচনী দুখনৰ উপৰিও ' বি ' নামৰ সৰু আলােচনী এখনাে তেওঁ সম্পাদনা কৰিছিল । সময়তকৈ সদায়ে এখােজ আগত যাব খােজা ড০ ভূপেন হাজৰিকা আছিল দুৰন্ত গতিশীল আৰু প্ৰাণ প্ৰাচুৰ্যৰে ভৰা ব্যক্তি । উৰণীয়া মৌৰ দৰে ,

যাযাবৰৰ দৰে দেশ – বিদেশ ঘূৰিফুৰা অসমীয়াৰ হিয়াৰ আমঠু , জিৰণি বিহীন ড০ ভূপেন হাজৰিকাই অৱশেষত ২০১১ চনৰ ৫ নৱেম্বৰত মৃত্যুৰ কোলাত চিৰদিনৰ বাবে জিৰণি লয় ।

**( খ ) কাজিৰঙা ।**

**উত্তৰঃ** কাজিৰঙা অসমৰ প্ৰথম ৰাষ্ট্ৰীয় উদ্যান । ৰাজকীয় চেহেৰাৰ এটা খৰ্গযুক্ত গঁড়ৰ বাবে ই পৃথিৱী বিখ্যাত । ৮৫৮.৯৮ বৰ্গ কিলােমিটাৰ মাটিকালিৰ কাজিৰঙা জৈব বৈচিত্ৰৰ ভঁৰাল । বৈচিত্ৰময় আৰ্কিড আৰু বিভিন্ন ধৰণৰ গছ – গছনিয়ে ইয়াৰ আৰণ্যক সম্ভাৰ সমৃদ্ধ কৰিছে । পক্ষীপ্ৰেমীসকলৰ স্বৰ্গপুৰী কাজিৰঙাত পেলিকান , ধনেশ , বিভিন্ন জাতৰ বগলী , বাটৈ টোকা , বৰটোকোলা , হাড়গিলাকে আদি কৰি প্ৰায় ৫০০ বিধ চৰাই আছে । ইয়াত থকা উল্লেখযাােগ্য জন্তুসমূহ হৈছে — গড়, হাতী , বাঘ , মহ , হৰিণা , ভালুক , হলৌ বান্দৰ , বনগৰু , বনৰীয়া গাহৰি ইত্যাদি । কাজিৰঙাৰ এক বিশেষত্ব হ’ল আন ৰাষ্ট্ৰীয় উদ্যানৰ দৰে ই ঘন অৰণ্য নহয় । ইয়াৰ বেছিভাগ অংশই বিস্তীৰ্ণ তৃণভূমি ( ৬৬.৪৪ শতাংশ ) । বাকীখিনি অৰণ্যভূমি ( ২৭.৯৮ শতাংশ) আৰু বিল তথা জলাহভূমি ( ৫.৫৮ শতাংশ ) । আৰণ্যক সম্ভাৰৰ স্বীকৃতি স্বৰূপে ১৯৮৫ চনত ইউনেস্কোৱে কাজিৰঙাক বিশ্ব ঐতিহ্য ক্ষেত্ৰৰূপে স্বীকৃতি দিয়ে । আজি বহুদিন ধৰি বিশ্ব ঐতিহ্য নক্ষত্ৰ এই কাজিৰঙাৰ বহু মাটি সন্দেহযুক্ত বিদেশী লাােকৰদ্বাৰা দখল হাােৱা বুলি অভিযাােগ উত্থাপন হৈ আহিছে । এই অভিযাােগৰ গুৰুত্ব বুজি চৰকাৰৰ লগত ৰাইজেও যদি এতিয়াও উপযুক্ত কাৰ্যব্যৱস্থা নলয় তেনেহলে আগলৈ কাজিৰঙাক ৰক্ষা কৰাটো টান হৈ পৰিব ।

**এশিঙীয়া গঁড় :-** অসমৰ প্ৰতীক চিহ্ন এশিঙীয়া গঁড়ক ‘ ভাৰতীয় গঁড়’ বুলি কোৱা হয় । ইয়াৰ খৰ্গটো ২০ চেঃমিঃৰ পৰা ১০০ চেঃমিঃলৈকে দীঘল হয় । আকাৰত আফ্ৰিকীয় বগা গঁড়ৰ সমান। চালখন ডাঠ আৰু খলপা – খলপি । গাত সামান্য নাােম আছে । মাইকী গড়তকৈ মতা – গড় আকাৰত ডাঙৰ । মতা গঁড়ৰ ওজন ২,৫০০ কিঃগ্ৰাঃৰ পৰা ৩,২০০ কিঃগ্ৰাৰ ভিতৰত হয় । মাইকী গঁড়ৰ ওজন প্ৰায় ১,৯০০ কিলােগ্ৰাম । আগতে পাকিস্তান , বাৰ্মা , নেপাল আদি দেশতাে গঁড়ৰ বসতি আছিল । বিভিন্ন কাৰণত কিছুমান সংৰক্ষিত ঠাইতহে এই প্ৰাণীবিধ বৰ্তি আছে । পৃথিৱীৰ মুঠ এশিঙীয়া গঁড়ৰ দুই তৃতীয়াংশ অসমৰ কাজিৰঙা অভয়াৰণ্যত আছে । এশিঙীয়া গঁড়ৰ বাবেই কাজিৰঙা পৃথিৱী বিখ্যাত ।

গড়ে সাধাৰণতে অকলশৰীয়াকৈ ফুৰি ভাল পায় । অৱশ্যে মাইকী গড় আৰু পাােৱালি থাকিলে লগত যায় । ইয়াৰ ঘ্ৰাণ শক্তি আৰু শ্ৰৱণ শক্তি প্ৰখৰ কিন্ত দৃষ্টিশক্তি দুৰ্বল । ই ঘণ্টাত গৰ হিচাপত ৫৫ কিলােমিটাৰ বেগত দৌৰিব পাৰে । গড়ে ৰাতিপুৱা আৰু গধূলি সময়ত ফুৰি ভাল পায় আৰু খাদ্য গ্ৰহণ কৰে । দিনটোৰ বেছিভাগ সময় খাল , বিল , পিতনি আদিত থাকে । ঘাঁহ , গছৰ পাত আদি ইয়াৰ খাদ্য । জন্মৰ সময়ত ইয়াৰ খৰ্গ নাথাকে । ছমাহমান পাছত খৰ্গ গজিবলৈ আৰম্ভ কৰে।

ৰাজকীয় চেহেৰাৰ এই আপুৰুগীয়া প্ৰাণীবিধ বৰ্তমান সংকটৰ গৰাহত । হৰিণাৰ মাংসই বৈৰী হাোৱাৰ দৰে গঁড়ৰ খৰ্গটোৱে বৈৰী । আন্তজাৰ্তিক চোৰাং বজাৰত খৰ্গটোৰ মূল্য অতি বেছি বাবে চোৰাং চিকাৰীয়ে যধে – মধে গঁড় হত্যা কৰি এই প্ৰাণীবিধলৈ সংকট নমাই আনিছে । আনহাতে , অৰণ্য ধ্বংস , বনাঞ্চললৈ মানুহৰ বসতি বিস্তাৰ , প্ৰাকৃতিক দুৰ্যোগ , খাদ্যৰ নাটনি আদিৰ ফলতাে প্ৰাণীবিধলৈ দুৰ্যোগ নামি আহিছে । সময় থাকোতেই চৰকাৰৰ – লগতে ৰাইজেও উপযুক্ত ব্যৱস্থা হাতত নল'লে এই আপুৰুগীয়া প্ৰাণীবিধ বিলুপ্ত হৈ যাোৱাৰ সম্ভাৱনাও নথকা নহয় ।

**প্ৰশ্ন ১৩। তলৰ শব্দবাোৰত কি কাৰণত , ণ , ৰ হৈছে লিখা ।**

ঋষি , হৰিণ , পূণ্য , হৰ্ষ , কণ্ঠ , প্ৰণাম , প্ৰতিষ্ঠান , ৰাৱণ , পাষাণ, বৰষুণ , বিষম।

**উত্তৰঃ ঋষি :-** অ আ ভিন্ন অন্য স্বৰবৰ্ণ , বা ক , বা ৰ – ৰ পাছত থকা প্ৰত্যয়ৰ 'স' মূৰ্ধন্য 'ষ' হয় ।

**হৰিণ :-** ঋ , ৰ 'ষ' আৰু ন-ৰ মাজত স্বৰবৰ্ণ , ক বৰ্গ বা প বৰ্গৰ বৰ্ণ , য , ৱ হ আৰু অনুস্বাৰ থাকিলে দন্ত্য 'ন' মূৰ্ধন্য 'ণ' হয় ।

**পূণ্য :-** স্বাভাৱিকতে মূৰ্ধণ্য 'ণ' হৈছে ।

**হৰ্ষ :-** স্বাভাৱিকতে মূৰ্ধণ্য 'ষ' হৈছে ।

**কণ্ঠ :-** ট বৰ্গৰ আখৰ যুক্ত হলে দন্ত্য 'ন' মূৰ্ধন্য 'ণ' হয় ।

**প্ৰণাম :-** ৰ – ৰ পাছত থকা নম্ ধাতুৰ দন্ত্য 'ন' মূৰ্ধন্য 'ণ' হৈছে ।

**প্ৰতিষ্ঠান :-** ই কাৰান্ত উপসৰ্গৰ পাছত থকা স্থা ধাতুৰ দন্ত্য 'স' মূৰ্ধন্য 'ষ' হৈছে ।

**অনুষ্ঠান :-** উ কাৰান্ত উপসৰ্গৰ পাছত থকা স্থা ধাতুৰ দন্ত্য 'স' মূৰ্ধন্য 'ষ' হৈছে ।

**ৰাৱণ :-** ৰ আৰু ন-ৰ মাজত ৱ থকা বাবে দন্ত্য 'ন' মূৰ্ধন্য 'ণ' হৈছে ।

**পাষাণ :-** ষ আৰু ন-ৰ মাজত স্বৰবৰ্ণ থকা বাবে দন্ত্যন 'ন' মূৰ্ধন্য 'ণ' হৈছে ।

**বৰষুণ :-** ষ-ৰ পাছত থকা দন্ত্য 'ন' মূৰ্ধন্য 'ণ' হৈছে।

**বিৰম :-** বি উপসৰ্গৰ পাছত থকা সম শব্দৰ দন্ত্য ‘স’ মূৰ্ধন্য ‘ষ’ হৈছে ।

**প্ৰশ্ন ১৪। সমাৰ্থক শব্দ লিখা –**

অৰণ্য , ঋষি , আপা◌েন , মৰম , পৃথিৱী , সভ্য , হস্তী , ব্যাঘ্ৰ , হিংস্ৰ ।

**উত্তৰঃ** অৰণ্য – হাবি , বননি , জংঘল ।

ঋষি – মুনি , তপস্বী।

আপা◌েন – আত্মীয় , নিজৰ ।

মৰম – স্নেহ , ভালপা◌েৱা ।

পৃথিৱী – ধৰণী , ধৰা , বসুমতী ।

সভ্য – ভদ্ৰ , শিষ্ট ।

হস্তী – হাতী , কৰী , গজ , মাতঙ্গ ।

ব্যঘ্ৰ – বাঘ ।

হিংস্ৰ – হিংসুক , হিংসাকুৰীয়া ।

**প্ৰশ্ন ১৫। আগত ‘ অ ’ আৰু ‘ বি ’ উপসৰ্গ থকা তিনিটাকৈ শব্দ লিখা ।**

(আহি = হিংসা – অহিংসা , দেশ – বিদেশ )

**উত্তৰঃ** চিনাকি – অচিনাকি ।

সুখ – অসুখ ।

পৈণত – অপৈণত ।

পথ – বিপথ ।

ৰাগ – বিৰাগ।

লয় – বিলয়।